**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ শুভাৰম্ভ। মঙলদৈত প্ৰধানমন্ত্ৰীৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২।	সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ২১টা ভাষালৈ অনুদিত জীৱনী গ্ৰন্থ খানাপাৰাত প্ৰধানমন্ত্ৰীৰ উন্মোচন।

৩।	অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত ৭৭ হাজাৰ কোটি টকাৰ ৰে'ল প্ৰকল্প ৰূপায়ণ কৰা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰকাশ।

৪।	ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন।	**আৰু**

৫।	এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

000000

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো ভাৰ্চুৱেল পদ্ধতিৰে আধাৰশিলা স্থাপন কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। নুমলীগড় শোধনাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এচিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি প্ৰকল্পটোৰ সঞ্চালকে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। এই সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে নুমলীগড়ত কালি এখন সংবাদমেল সম্বোধন কৰে। তেওঁ কয়, যে ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পই বছৰি ৫ লাখ টন বাঁহৰ পৰা ৫০ হাজাৰ টন ইথানল উৎপাদন কৰিব। ইয়াৰ ফলত প্ৰকল্পটো স্বনিৰ্ভৰশীল শক্তি প্ৰতিষ্ঠান হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। ৭ হাজাৰ ২৩১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পলিপ্ৰপিলিন প্ৰকল্পত জাৰ্মান প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হ'ব আৰু ইয়াত ৭৫ হাজাৰ কৰ্মদিন সৃষ্টি হ'ব বুলি তেওঁ কয়।

**বাইট (হৰদীপ সিং পুৰী)**

এই প্ৰচেষ্টাই ভাৰতৰ স্বচ্ছ শক্তি উৎপাদনৰ প্ৰতিশ্ৰুতিক বাস্তৱায়িত কৰাৰ লগতে বছৰি ১ মিলিয়ন টন কাৰ্বন-ডাই-অক্সাইড নিৰ্গমন হ্ৰাস কৰিব বুলি আশা কৰা হৈছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মিজোৰামৰ বেইৰবী-চাইৰাং নতুন ৰে'লপথত ৩ খন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। ইয়াৰ লগে লগে মিজোৰাম দেশৰ ৰে'ল মানচিত্ৰত সংযুক্ত হৈছে। চাইৰাঙৰ পৰা যোৱানিশা যাত্ৰা কৰি ৮ বাজি ১০ মিনিটত হোজাইত উপস্থিত হোৱা ৰে'লখনে চালক আৰু যাত্ৰীসকলক হোজাই ষ্টেচনত সম্ভাষণ জনোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ উপস্থিত থাকে। একেদৰে নিশা গুৱাহাটীৰ পৰা যাত্ৰা কৰিবলগীয়া দৈনিক এক্সপ্ৰেছ এই ৰে'লখন সাংসদ বিজুলী কলিতা মেধিয়ে ফ্লেগঅফ কৰে।

০০০০০০

উল্লেখযোগে যে চাইৰাং-দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং-গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং-কলকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীয়ে দেশৰ অন্যান্য অংশৰ লগতে মিজোৰামক সংযুক্ত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত অনুৰাধা শৰ্মা পুজাৰীয়ে সংকলন কৰা ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখন উন্মোচন কৰে। তেওঁ ২১টা ভাষালৈ অনুদিত এই গ্ৰন্থখন ভাৰ্চুৱেল ব্যৱস্থাৰেও উন্মোচন কৰে। নিজৰ ভাষণত তেওঁ কিংবদন্তি শিল্পী ড০ ভূপেন হাজৰিকাৰ অবিস্মৰণীয় প্ৰতিভাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। সুধাকণ্ঠৰ কেইবাটাও গীতৰ ফাঁকি আওৰাই প্ৰধানমন্ত্ৰীয়ে এই গীতসমূহ দেশৰ সমাজ জীৱনৰ বাবে কিমান তাৎপৰ্যপূৰ্ণ এই বিষয়ে উল্লেখ কৰে। তেওঁ লগতে অসম চৰকাৰক এই সুন্দৰ অনুষ্ঠানৰ আয়োজনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ এই অনুষ্ঠানত উপস্থিত হৈ ধন্য হৈছে বুলি মত প্ৰকাশ কৰে।

**বাইট (পি এম)**

শিল্পীগৰাকীৰ শতবৰ্ষ উদযাপনৰ জৰিয়তে চৰকাৰে মহান শিল্পীগৰাকীৰ গীত আৰু বিশ্বজনিন চিন্তাধাৰাক বিশ্বৰ প্ৰতিজন মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি তেওঁ মন্তব্য কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দু, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা, ভূপেন হাজৰিকাৰ পৰিয়ালৰ সদস্যসকলৰ লগতে অসমৰ সামাজিক সংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত কয়, যে শিল্পীগৰাকীৰ গীতে জনজীৱনক তুলি ধৰাৰ লগতে স্বদেশ প্ৰেম, অসমৰ প্ৰকৃতি, সমাজ জীৱন আৰু সাংস্কৃতিক জীৱনৰ প্ৰতিটো দিশক উজ্জীৱিত কৰি তুলিছিল। ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই অনুষ্ঠানত উপস্থিত থকাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপস্থিতিয়ে অনন্য মাত্ৰা বহন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

**বাইট (চি এম)**

অনুষ্ঠানত এহেজাৰ ২০০ গৰাকী শিল্পীয়ে বিশ্ববন্দিত শিল্পীগৰাকীৰ কণ্ঠৰ ১৪টা গীতৰ বচা বচা অংশ সমস্বৰে পৰিবেশন কৰি নান্দনিক পৰিবেশৰ সৃষ্টি কৰে।

০০০০০০

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত ৭৭ হাজাৰ কোটি টকাৰ ৰে'ল প্ৰকল্প ৰূপায়ণ কৰা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মিজোৰামত বেইৰবী-চাইৰাং ৰে'ল প্ৰকল্প উদ্বোধন কৰাৰ পাছত ৰে'ল মন্ত্ৰীগৰাকীয়ে এটা বিবৃতিযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে মিজোৰামলৈ ৰে'ল সংযোগে নিয়োগ সৃষ্টি কৰাৰ লগতে অঞ্চলটোৰ পৰ্যটন ক্ষেত্ৰৰ বিস্তৰ উন্নয়ন সাধন কৰাৰ সম্ভাৱনা আছে। তদুপৰি

দেশৰ অন্যান্য অংশলৈ সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত এই ৰে'লসেৱাই নতুন দিগন্তৰ সূচনা কৰিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীৰ এক্ট-ইষ্ট নীতিৰ অংশ হিচাপে উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল যোগাযোগ উন্নত হৈছে। ২০১৪ চনৰ পূৰ্বে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৰে'ল বাজেটত দুহেজাৰ কোটি টকা ধাৰ্য কৰা হৈছিল যদিও এতিয়া এই ধনৰ পৰিমাণ ৫ গুণ বৃদ্ধি হৈ ১০ হাজাৰ কোটি টকা হৈছে বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীয়ে কালি ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰা বেইৰবী-চাইৰাং ৰে'লপথত তিনিখন নতুন ৰে'লৰ যাত্ৰা শুভাৰম্ভ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰীৰ অসম, মণিপুৰ আৰু মিজোৰাম ভ্ৰমণ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক মনীষ গোস্বামীয়ে প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ যাতায়াত আৰু পৰিবহণৰ ক্ষেত্ৰত আৰোপ কৰা গুৰুত্বৰ বিষয়ে আলোকপাত কৰে।

**বাইট (মনীষ গোস্বামী)**

এমট্ৰনৰ পৰামৰ্শদাতা বসন্ত বৰঠাকুৰে প্ৰধানমন্ত্ৰীয়ে আজি নুমলীগড়ত শুভাৰম্ভ কৰিবলগীয়া বাঁহ ভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে।

**বাইট (বসন্ত বৰঠাকুৰ)**

পথ অভিযান্ত্ৰিক বিষয়ৰ পৰামৰ্শদাতা ত্ৰিদীপ চাংমাইয়ে টেলিফোনযোগে অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোডৰ প্ৰকল্পৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে এটা ঠিকাদাৰী প্ৰতিষ্ঠানে ৰূপায়ণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী প্ৰকল্পটো ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানৰ আঁত ধৰি আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে প্ৰধানমন্ত্ৰী মোদীয়ে আজিৰ অনুষ্ঠানত অংশ লৈ অভিভূত হোৱা বুলি কৰা মন্তব্যৰ বিষয়ে উল্লেখ কৰে।

**বাইট (ৰাজীৱ বৰঠাকুৰ)**

আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত আমাৰ সংবাদদাতা সকলৰ প্ৰতিবেদনৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰই এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০

ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে উলহ-মালহেৰে পালন কৰা হৈছে। জন্মাষ্টমী উপলক্ষে ৰাজ্যখনৰ সত্ৰ-নামঘৰসমূহৰ লগতে ঘৰে ঘৰে ব্যাপক আয়োজন চলিছে। ৰাজ্যখনৰ চৌদিশ কৃষ্ণ বন্দনাৰে মুখৰিত হৈ উঠিছে। সত্ৰনগৰী মাজুলী, বৰপেটা, বটদ্ৰৱা আদিৰ লগতে ৰাজ্যখনৰ প্ৰধান প্ৰধান সত্ৰ আৰু নামঘৰসমূহ জন্মাষ্টমী উপলক্ষে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি সজাই-পৰাই তোলা হৈছে। পুৱাৰে পৰাই নামঘৰসমূহত ভকত আৰু আয়তীসকলৰ নাম-প্ৰসংগ, গীত-নৃত্য অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু তিনিশৰো অধিক নামঘৰৰ লগতে প্ৰতিটো পৰিয়ালে জন্মাষ্টমী পালন কৰিছে বুলি আমাৰ মাজুলীৰ সংবাদদাতাই জনাইছে। হৰিনাম কীৰ্তনৰ ধ্বনিৰে মাজুলী দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে কৃষ্ণৰ জন্মাষ্টমী উপলক্ষে বিভিন্ন শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৃষ্ণ নৃত্য, দিহানাম আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

ডুবাইত চলি থকা টি-টুৱেণ্টি এছিয়া কাপ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। ফেব্ৰুৱাৰীৰ পাছত চলিত বৰ্ষত এইবাৰ প্ৰথমবাৰৰ বাবে দুয়োটা দল মুখামুখি হ'ব। ইউ এ ই আৰু ওমানক পৰাস্ত কৰি দুয়োটা দলৰে মানসিক স্থিতি সম্প্ৰতি শক্তিশালী হৈ আছে। ভাৰতে ডুবাইত যোৱা বুধবাৰে অনুষ্ঠিত খেলখনত ইউ এ ইক ৯ উইকেটত আৰু পাকিস্তানে ওমানক ৯৩ ৰানত পৰাস্ত কৰিছিল। যোৱানিশা আবুধাবিত অনুষ্ঠিত গ্ৰুপ বিৰ-এখন খেলত শ্ৰীলংকাই, বাংলাদেশৰ বিৰুদ্ধে ৬ উইকেটত জয় লাভ কৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ, কালি ভূপেন হাজৰিকাৰ শতবাৰ্ষিকি উদযাপনৰ মূল অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাতৰিক ভিন ভিন শিৰোনামেৰে আলোকচিত্ৰসহ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিক **ভাৰতৰ একতাৰ মহানায়ক ভূপেনদা** শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতত এই বাতৰিৰ শিৰোনাম **ভূপেনদা ভাৰতৰ ভূগোল**। শংকৰদেৱৰ পাছতেই সাহিত্য-সংস্কৃতিলৈ ভূপেনদাৰ সৰ্বাধিক অৱদান বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ বাতৰিকো কাকতখনে প্ৰথম পৃষ্ঠান স্থান দিছে।

দেশৰ ঐক্য-অখণ্ডতাৰ মহান নায়ক ভূপেনদা এই শিৰোনাম নিয়মীয়া বাৰ্তা কাকতৰ।

দি আছাম ট্ৰিবিউন আৰু দৈনিক অসম কাকতে ২০২৩ ৰ গোষ্ঠী সংঘৰ্ষৰ পাছত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে মণিপুৰ ভ্ৰমণ কৰা বাতৰিক বিশেষ গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক অসমত এই বাতৰিৰ শিৰোনাম **বিকাশৰ মূল স্বৰ্ত শান্তি** ।

জনজাতিকৰণৰ দাবীত ৰাজ্যজুৰি টাইপাৰ বিক্ষোভ আৰু নেপালক স্বাভাৱিক কৰাৰ দায়িত্ব প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰীৰ শীৰ্ষক বাতৰি দুটাক আমাৰ অসম কাকতে অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্যা ছেণ্টিনেল কাকতে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ দুজন বিষয়াৰ বিৰুদ্ধে চি বি আয়ে আয়ৰ সৈতে সামঞ্জস্যহীন সম্পদ আহৰণৰ গোচৰ ৰুজু কৰাৰ এটা বাতৰিক বক্স নিউজ হিচাপে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে মিজোৰামৰ প্ৰথম ৰে'লপথ মুকলি কৰি প্ৰধানমন্ত্ৰীয়ে ১১ বছৰে আমি উত্তৰ-পূবৰ উন্নয়নৰ বাবে কাম কৰিছোঁ বুলি কৰা মন্তব্যৰ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে বি টি আৰ পৰিষদীয় নিৰ্বাচনত বি পি এফৰ মুৰব্বীৰ ব্যাপক প্ৰচাৰ অভিযানৰ বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

০০০০০০

বিটিচি নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত এসপ্তাহ বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কালি পৰ্বতঝৰা পৰিষদীয় সমষ্টিত দলীয় প্ৰাৰ্থী বনেন্দ্ৰ কুমাৰ মুছাহাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি চিৰাং জিলাৰ থুৰিবাৰী পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী অজয় কুমাৰ দাসৰ সমৰ্থনত ১ নম্বৰ ফাগুনাগাঁও আৰু শিয়ালমাৰী গাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউপিপিএলৰ মুৰব্বী প্ৰমোদ বড়োৱে ওদালগুৰি জিলাৰ ধনশ্ৰী পৰিষদীয় সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। বিপিএফৰ হাগ্ৰামা মহিলাৰীয়ে বাক্সা জিলাৰ বড়ো বজাৰত ককলাবাৰী সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

নিৰ্বাচনৰ পূৰ্বে চিৰাং জিলাৰ বাসুগাঁৱত দুই শতাধিক যুৱক-যুৱতীয়ে বিজেপিত যোগদান কৰে। চিৰাং জিলাৰ বিজনীত কালি ভালেসংখ্যক যুৱক-যুৱতীয়ে বিপিএফত যোগদান কৰে।

ইপিনে বিটিআৰৰ আটাইকেইখন জিলাৰ প্ৰশাসনে নিৰ্বাচনত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। তামুলপুৰ জিলাৰ বৰনগৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কালি বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে নিৰ্বাচনত প্ৰয়োজন সামগ্ৰীসমূহ বিষয়াসকলক কিদৰে প্ৰদান কৰিব লাগে সেই বিষয়ে বিতংকৈ ব্যাখ্যা কৰে। তদুপৰি বেলট বক্সৰ ব্যৱহাৰ সন্দৰ্ভতো প্ৰশিক্ষণ দিয়া হয়। জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে তামুলপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত স্থাপন কৰা ষ্ট্ৰংৰুম পৰিদৰ্শন কৰি সুৰক্ষা ব্যৱস্থাৰ বুজ লয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে গাজনি-ঢেৰেকনীৰে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত